# সঁচা বৈষ্ণৱ অৰ্থাৎ সদায় গুণ গ্ৰাহক আত্মা

আজি বাপদাদাই এধাৰি মালা গাঠি আছিল। কেনেকুৱা মালা বাৰু ? প্ৰত্যেক শ্ৰেষ্ঠ আত্মাৰ শ্ৰেষ্ঠ গুণৰ মালা গাঁঠি আছিল – কাৰণ বাপদাদাই জানে যে শ্ৰেষ্ঠ বাবাৰ প্ৰত্যেক শ্ৰেষ্ঠ সন্তানৰে নিজৰ নিজৰ বিশেষত্ব আছে। নিজৰ নিজৰ গুণৰ আধাৰত সংগম যুগত শ্ৰেষ্ঠ প্ৰালব্ধ পাই আছেহি। বাপদাদাই আজি বিশেষ পদাতিক (infantry) গ্ৰুপৰ গুণবিলাক চাই আছিল। যদিও পুৰুষাৰ্থত শেষৰ গ্ৰুপ বুলি কোৱা হয় কিন্তু তেওঁলোকৰো বিশেষ গুণ নিশ্চয় আছে আৰু সেই বিশেষ গুণবিলাকেই সেই আত্মাসকল বাবাৰ হোৱাত বিশেষ আধাৰ। সেয়ে বাপদাদাই প্ৰথম নম্বৰৰ পৰা শেষৰ নম্বৰলৈ যোৱা নাই। কিন্তু শেষৰ পৰা প্ৰথমলৈ প্ৰত্যেকৰ মাজতে গুণ দেখা পাইছে। একেবাৰে শেষৰ নম্বৰতো গুণৱান আত্মা আছে। পৰমাত্ম-সন্তান আৰু কোনো গুণ নাথাকিব এনে কথাতো কেতিয়াও হ'ব নোৱাৰে। এই গুণৰ আধাৰতে ব্ৰাহ্মণ জন্মত জীয়াই আছে। সৃষ্টি-নাটকৰ বিশেষ ভূমিকা অনুসৰি এই গুণবিলাকেই শ্ৰেষ্ঠতকৈয়ো শ্ৰেষ্ঠ বাবাৰ সন্তান বনাইছে। এই গুণৰ কাৰণেই প্ৰভুৰ পছন্দ হৈছে, আৰু সেয়ে গুণৰ মালাধাৰি গাঁঠি আছিল। এইদৰে প্ৰত্যেক ব্ৰাহ্মণ আত্মাৰ গুণ দেখিলে শ্ৰেষ্ঠ আত্মাৰ ভাব সহজে আৰু স্বতঃস্ফূৰ্তভাৱে আহি যাব কিয়নো গুণৰ আধাৰেই হ'ল শ্ৰেষ্ঠ আত্মা। কিছুমান আত্মাই গুণক জনা সত্বেও জন্ম জন্মান্তৰে লেতেৰা আৱৰ্জনা চোৱাৰ অভ্যাসী হোৱা বাবে গুণ নাচাই অৱগুণহে দেখে। কিন্তু অৱগুণ চোৱা, ধাৰণ কৰা স্থূলত অশুদ্ধ ভোজন কৰাৰ দৰেই একেই ভুল। স্থূল ভোজনত যদি কোনোৱে অশুদ্ধ ভোজন গ্ৰহণ কৰা, তেন্তে নিজে ভুল অনুভৱ কৰা নহয়। লিখা নহয় যে খোৱা-লোৱাৰ ধাৰণাত মই দূৰ্বল। গতিকে ভুল বুজি পোৱা নহয়! এইদৰে যদি কাৰোবাৰ অৱগুণ বা দূৰ্বলতা নিজৰ মাজত ধাৰণ কৰা তেতিয়াহলে বুজিবা যে অশুদ্ধ ভোজন খাবলৈ ওলাইছা। সঁচা বৈষ্ণৱ নহয়, বিষ্ণুবংশী নহয়, ৰামৰ সেনা হে যাবা সেইকাৰণে সদায় গুণ গ্ৰহণ কৰোতা গুণৰ প্ৰতিমূৰ্তি হোৱা।

বাপদাদাই আজি সন্তানসকলৰ চতুৰালিৰ খেল চাই আছিল। মনত পৰিছেনে - নিজৰ খেল! সকলোতলৈ ডাঙৰ কথা আনৰ অৱগুণ চোৱাটো, ইয়াক (বেলেগৰ অৱগুণ জনাটো) বহুত চতুৰালি বুলি ভাবে, ইয়াকেই জ্ঞানস্বৰূপ (knowledgeful) বুলি ভাবি লয়। কিন্তু জনা অৰ্থাৎ পৰিৱৰ্তন কৰা। যদি জানিলাও, কেই মুহূৰ্তৰ বাবে জ্ঞানস্বৰূপো হৈ গ'লা, কিন্তু জ্ঞানস্বৰূপ হৈ কি কৰিলা? জ্ঞানক লাইট (পোহৰ) আৰু মাইট (শক্তি) বুলি কোৱা হয়, জানিলা যে এইটো অৱগুণ কিন্তু জ্ঞানৰ শক্তিৰে নিজৰ বা আনৰ অৱগুণক ভষ্ম কৰিলানে? পৰিৱৰ্তন কৰিলানে? পৰিৱৰ্তন হৈ বা পৰিৱৰ্তন (বদলি) কৰি দেখুৱালা নে বদলা (প্ৰতিশোধ) ল'লা? যদি জ্ঞানৰ লাইট-মাইট কাৰ্য্যত প্ৰয়োগ নকৰিলা তেন্তে তাক জনা বুলি কোৱা হ'ব নে, জ্ঞানস্বৰূপ বুলি কোৱা হ'ব নে? জ্ঞানৰ লাইট-মাইট ব্যৱহাৰ নকৰাকৈ কেৱল জনাতো দ্বাপৰ যুগৰ শাস্ত্ৰবাদসকলৰ শাস্ত্ৰৰ জ্ঞানৰ দৰে। এনেকৈ জনাসকলতলৈ অৱগুণক নজনা সকল বেছি ভাল। ব্ৰাহ্মণ পৰিয়ালত এনেকুৱা আত্মসকলক ধেমালিতে অজলা বুলি কয়। নিজৰ মাজতে কোৱা নহয় যে তুমিতো অজলা একোৱেই নাজানা। কিন্তু এইটো কথাত (অৱগুণ জানিও পৰিৱৰ্তন নকৰাতকৈ নজনাতো বেছি ভাল) অজলা হোৱাটো বেছি ভাল। অৱগুণ নেদেখিব, ধাৰণ নকৰিব, বাণীৰ দ্বাৰা বৰ্ণনা কৰি পৰচিন্তন কৰোতাৰ তালিকাতো নাহিব। অৱগুণবোৰ আৱৰ্জনা নহয় জানো। যদি চোৱাও তেন্তে মাষ্টৰ জ্ঞান সূৰ্য হৈ আৱৰ্জনাবোৰ জ্বলোৱাৰ শক্তি আছে, তেন্তে শুভ-চিন্তক হোৱা। বুদ্ধিত অলপো আৱৰ্জনা থাকিলে শুদ্ধ বাবাৰ স্মৃতিত নাথাকিব। প্ৰাপ্তি কৰিব নোৱাৰিব। আৱৰ্জনা ধাৰণ কৰাৰ অভ্যাস এবাৰ হৈ গ'লে নিবিচাৰিলেও বুদ্ধি বাৰে বাৰে আৱৰ্জনাৰ ফালে গৈ থাকিব। আৰু ফলাফল কি হ'ব? সেয়া স্বাভাৱিক সংস্কাৰ হৈ পৰিব। পিছত সেই সংস্কাৰবোৰ পৰিৱৰ্তন কৰিবলৈ পৰিশ্ৰম আৰু সময় লাগিব। আনৰ অৱগুণৰ বৰ্ণনা কৰা অৰ্থাৎ নিজেও পৰচিন্তনৰ অৱগুণৰ বশীভূত হোৱা। কিন্তু এইটো বুজি নোপোৱা – আনৰ দূৰ্বলতা বৰ্ণনা কৰা মানে নিজৰ সমাযোজন শক্তি (power to accommodate) ৰ দূৰ্বলতা উদঙাই দিয়া। যিকোনো আত্মাকে সদায় গুণৰ প্ৰতিমূৰ্তি হিচাপে চাবা। যদি কাৰোবাৰ কিবা দূৰ্বলতা থাকেও, মৰ্য্যদাৰ বিপৰীতে কাৰ্যও কৰে তেন্তে বাপদাদাৰ নিমিত্ত উচ্চ ন্যায়ালয়লৈ লৈ যোৱা। নিজে উকীল আৰু বিচাৰক নহ'বা। ভাই-ভাইৰ সম্বন্ধ পাহৰি বিচাৰক হৈ যোৱা সেই কাৰণে ভাই-ভাইৰ

দৃষ্টি টিকি নাথাকে। কেচ দাখিল কৰাত বাধা নাই, কিন্তু মিহলি আৰু অসাধুতা যাতে নহয়। যিমান পাৰি শুভ ভাৱনাৰে সংকেত দিয়া। নিজৰ মনতো নাৰাখিবা আৰু আনক 'মনমনাভৱ' হোৱাত বিঘ্ন ৰূপ নহ'বা। তেন্তে চতুৰালিৰ খেল কি কৰা? যিটো কথা সামৰি থ'ব লাগে সেইটো বিয়পাই দিয়া আৰু যিটো বিয়পাই দিব লাগে সেইটো সামৰি থোৱা যে এইটো সকলোৰে আছে। গতিকে নিজক অশুদ্ধিৰ পৰা দূৰৈত ৰাখা। মনত, বাণীত, কৰ্ম বা সম্বন্ধ-সম্পৰ্কত অশুদ্ধিয়ে সংগম যুগৰ প্ৰাপ্তিৰ পৰা বঞ্চিত কৰি দিব। সময় পাৰ হৈ যাব। পিছত "পাবলগীয়া আছিল" এই তালিকাত থিয় হ'ব লাগিব। প্ৰাপ্তি স্বৰূপৰ তালিকাত থাকিবা। সকলো সম্পত্তিৰ মালিকৰ সন্তান আৰু অপ্ৰাপ্তিৰ তালিকাত থাকিবা, এইটো জানো ভাল লাগিব? গতিকে নিজৰ প্ৰাপ্তিত লাগি যোৱা। শুভ চিন্তক হোৱা। কোনো প্ৰকাৰৰ বিকাৰৰ বশীভুত হৈ নিজৰ ওলোটা চতুৰালি নেদেখুৱাবা। এই ওলোটা চতুৰালি এতিয়া ক্ষন্তেক সময়ৰ বাবে নিজক সুখী কৰিব বা সংগীসকলেও তোমাৰ চতুৰালিৰ গীত গাই থাকিব কিন্তু কৰ্মৰ গতিও স্মৃতিত ৰাখিবা। ওলোটা চতুৰালিয়ে ওলোটাকৈ ওলোমাই দিব। এতিয়া ক্ষন্তেকৰ কাম চলোৱাৰ বাবে চতুৰালি দেখুৱাবা, ইমানেই চলোৱাৰ সলনি চিঞৰিবও লাগিব। কোনোৱে এনেকুৱা চতুৰালি দেখুৱায় যে বাপদাদা, দিদি, দাদিকো চলাই লয়। এই সকলো উপায় জানে। ক্ষন্তেকৰ ওলোটা প্ৰাপ্তিৰ বাবে মান্তি কৰোৱালা, চলাইও দিলা কিন্তু পালা কি আৰু হেৰুৱালা কি? দুই তিনি বছৰৰ কাৰণে নামো পালা কিন্তু অনেক জন্মৰ কাৰণে শ্ৰেষ্ঠ পদৰ পৰা নাম হেৰুৱালা। গতিকে পোৱা হ'ল নে হেৰুৱা হ'ল? আৰু চতুৰালি শুনাওনে? এনেকুৱা সময়ত আকৌ জ্ঞানৰ পইণ্ট ব্যৱহাৰ কৰে যে এতিয়া প্ৰত্যক্ষ ফলটো পাই লওঁ ভৱিষ্যতে দেখা যাব। কিন্তু প্ৰত্যক্ষ ফল অতীন্দ্ৰিয় সুখ চিৰকালৰ, ক্ষন্তেকীয়া নহয়। যিমানেই প্ৰত্যক্ষ ফল খোৱাৰ চেলেঞ্জ নকৰক কিয়, ক্ষন্তেকীয়া নাম আৰু সুখৰ লগতে মাজে মাজে অসন্তুষ্টতাৰ কাইটীয়া ফল নিশ্চয় খাই থাকিব। মনৰ প্ৰসন্নতা বা সন্তুষ্টতা অনুভৱ কৰিব নোৱাৰিব। সেই কাৰণে অৱনতিৰ কলাবাজী নকৰিবা। বাপদাদাৰ এনেকুৱা আত্মা সকলৰ প্ৰতি পুতৌ উপজে – কি হ'বলৈ আহিছে আৰু কি হৈ গৈ আছে! সদায় এইটো লক্ষ্য ৰাখিবা যে যি কৰ্ম কৰি আছোঁ সেয়া প্ৰভু পচন্দ কৰ্ম হয়নে? বাবাই তোমালোকক পছন্দ কৰিলে গতিকে সন্তাসকলৰ কাম হৈছে প্ৰতিটো কৰ্ম বাবাৰ পছন্দ, প্ৰভু পচন্দ কৰা। যেনেকৈ বাবাই গুণৰ মালা ডিঙিত পিন্ধায় তেনেকুৱা গুণৰ মালা পিন্ধা, পাত্থৰৰ মালা নিপিন্ধিবা। ৰত্নৰ মালা পিন্ধা। আচ্ছা-

এনেকুৱা সদায় গুণৰ প্ৰতিমূৰ্তি, সদায় প্ৰভু পছন্দ, সদায় সঁচা বৈষ্ণৱ, বিষ্ণুৰ ৰাজ্যৰ অধিকাৰী, সদায় শুভ ভাৱনাৰ দ্বাৰা ভাই-ভাইৰ দৃষ্টিত সহজে স্থিৰ হৈ থকা, সদায় গুণ গ্ৰাহক দৃষ্টিৰ, এনেকুৱা সদায় বাবাৰ সমান হ'বলৈ ওলোৱা, অতি নিকট ৰত্নসকলক বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু নমস্কাৰ।

### পাৰ্টিৰ লগত

(১) উচ্চৰো উচ্চ বাবাৰ সন্তান, মাটিৰ লগত খেলাৰ সলনি অতীন্দ্ৰিয় সুখৰ দোলনাত দুলি থাকা:

সদায়ে নিজক সৰ্ব প্ৰাপ্তি স্বৰূপ হিচাপে অনুভৱ কৰানে? প্ৰাপ্তি স্বৰূপ অৰ্থাৎ অতীন্দ্ৰিয় সুখৰ দোলনাত দুলি থাকোতা। সদায় এজন বাবা, দ্বিতীয় আন কোনো নাই.... এনেকুৱা সংগৰ অনুভৱ কৰিব। যেতিয়া বাবা সৰ্ব সম্বন্ধৰে নিজৰ হৈ গ'ল তেন্তে সদায় বাবাৰ সংগ লাগিব নহয়। যিমানেই ডাঙৰ পৰিস্থিতি নহওক, পাহাৰ হওক কিন্তু তোমালোকে বাবাৰ লগত ওপৰত উৰি থাকিলে কেতিয়াও থমকি ৰ'ব লগা নহ'ব। যেনেকৈ প্লেনক পাহাৰে ৰখাব নোৱাৰে, পাহাৰ বগাব যোৱা সকলে বহুত পৰিশ্ৰম কৰিব লগীয়া হয় কিন্তু উৰি যোৱা সকলে সহজে পাৰ হৈ যায়। এনেকৈ যিমানেই বেয়া পৰিস্থিতি নহওক, বাবাৰ লগত উৰি থাকিলে চেকেণ্ডতে পাৰ হৈ যাবা। কেতিয়াও দোলনাৰ পৰা তললৈ নাহিবা, নহলে মলিন হৈ যাবা। মলিন হৈ, পিছত বাবাক কেনেকৈ লগ কৰিব পাৰিবা। বহুত সময় আতৰত থাকিলা এতিয়া মলিন হলে মেলাত মিলন কেনেকৈ হ'ব। বাপদাদাই প্ৰত্যেক সন্তানকে কুলদীপক, প্ৰথম নম্বৰৰ সন্তান হোৱাটো বিচাৰে। যদি বাৰে বাৰে মলিন হোৱা তেন্তে পৰিস্কাৰ হওতে কিমান সময় নষ্ট হ'ব, সেই কাৰণে সদায় দোলনাত থাকা। মাটিত ভৰি থোৱা কিয় ! ইমান শ্ৰেষ্ঠ বাবাৰ সন্তান আৰু মলিন, কোনেনো মানিব যে এয়া শ্ৰেষ্ঠৰো শ্ৰেষ্ঠ বাবাৰ সন্তান, গতিকে যি হ'ল হৈ গ'ল। যি দ্বিতীয় চেকেণ্ড পাৰ হ'ল সেয়া সমাপ্ত। কোনো প্ৰকাৰৰ

খেলিমেলিত নাযাবা। স্বচিন্তন কৰা, পৰচিন্তন নুশুনিবা, নকৰিবা, এইটোৱেই মলিন কৰে। এতিয়াৰ পৰা প্ৰশ্নসুচক চিন সমাপ্ত কৰি বিন্দু লগাই দিয়া। বিন্দু হৈ বিন্দু বাবাৰ লগত উৰি যোৱা। অচ্ছা!

(২) আজৰি হৈ থকা আত্মা সকলৰ সেৱা ধৈৰ্য্য সহকাৰে কৰিলে সফলতা লাভ কৰিবা:

বানপ্ৰস্থী যাৰ আজৰি সময় আছে, যি সকলে অৱসৰ ল'লে, তেওঁলোকৰ সেৱাৰ কাৰণে অলপ পৰিশ্ৰম কৰিব লাগিব – তেওঁলোকে কেৱল কাৰ্ড বিতৰণ কৰিলে নাহে। আজৰি হোৱা সকলৰ সেৱা ধৈৰ্য্যৰে অৰ্থাৎ সময় দি কৰিব লাগিব কিয়নো তেওঁলোকে নিজক বানপ্ৰস্থী হোৱা বাবে অভিজ্ঞ বুলি ভাবে। তেওঁলোকৰ অভিজ্ঞতাৰ অভিমান থাকে, সেইকাৰণে তেওঁলোকৰ সেৱাৰ বাবে অলপ বেছি সময় দিব লগীয়া হয় আৰু দিয়াৰ পদ্ধতিও মিত্ৰতাৰ, স্নেহ মিলনৰ হ'ব লাগে বুজনি দিয়াৰ নহয়। মিত্ৰ হিচাপে তেওঁলোকক লগ ধৰা। এনেকৈ নক'বা যে এইটো কথা আপুনি নাজানে, মই জানো। অভিজ্ঞতাৰ আদান-প্ৰদান কৰা। তেওঁলোকৰ কথা শুনিলে ভাবিব এওঁ আমাক সন্মান দিছে। কাৰোবাক নিকট সম্বন্ধত আনিবলৈ তেওঁৰ বিশেষতাৰ বৰ্ণনা কৰা পিছত নিজৰ অভিজ্ঞতা শুনাই আত্মীয় কৰি তোলা। যদি কোৱা সাপ্তাহিক পাঠ্যক্ৰম কৰক, জ্ঞান শুনক তেন্তে নুশুনিব সেয়েহে অভিজ্ঞতা শুনোৱা। বাপদাদাক এতিয়া এনেকুৱা বানপ্ৰস্থী সকলৰ মালা উপহাৰ দিয়া। তেওঁলোকক মিত্ৰ হিচাপে সহযোগী কৰি নিমন্ত্ৰণ কৰা।

(৩) নম্ৰতা ধাৰণ কৰিলে নৱ-নিৰ্মাণৰ কৰ্তব্য আগ বাঢ়ি গৈ থাকিব :

সদায় নিজক সেৱাৰ বাবে নিমিত্ত হোৱা সেৱাৰ শোভা বুলি ভাবি চলানে? সেৱাধাৰীৰ মুখ্য বিশেষত্ব কোনটো? সেৱাধাৰী অৰ্থাৎ নিৰ্মাণ কৰোতা অতি নম্ৰ । নিৰ্মাণ কৰোতা আৰু অতি নম্ৰ হৈ থকা। নম্ৰতাই সেৱাৰ সফলতাৰ সাধন। নম্ৰতা থাকিলে সেৱাত সদায় ভাৰমুক্ত (light) হৈ থাকিবা। নম্ৰতা নহ'লে, মান-সন্মানৰ ইচ্ছা থাকিলে বোজা হৈ যায়। বোজা থকাজন সদায় থমকি ৰ'ব। তীব্ৰ গতিত যাব নোৱাৰিব সেয়ে নম্ৰতা আছে নে নাই তাৰ লক্ষণ - তেওঁ বোজা মুক্ত হ'ব। যদি অলপো বোজা অনুভৱ হয় তেন্তে বুজিবা নম্ৰতা গুণ নাই।

(৪) সঁচা আত্মিক সেৱাধাৰী অৰ্থাৎ সৰ্ব সম্বন্ধৰ অনুভুতি এজন বাবাৰ লগত কৰা আৰু কৰাওতা:

সৰ্ব সম্বন্ধ এজন বাবাৰ লগত, বাবা সদায় সন্মুখত বিৰাজমান, এনেকুৱা অনুভৱ হয়নে? তোমাৰ লগতে খাওঁ, তোমাৰ লগতে বহো, তোমাৰ পৰাই শুনো.... ইয়াৰ অনুভৱ হয় নহয়? বাবাই সঁচা মিত্ৰ হৈ গ'ল গতিকে অন্যক মিত্ৰ বনোৱাৰ প্ৰয়োজন নাই। যি সম্বন্ধই বিচৰা সেই সম্বন্ধৰেই বাবা সদায় সন্মুখত বিৰাজমান। সেয়ে শিক্ষক অৰ্থাৎ সৰ্ব সম্বন্ধৰ ৰস এজন বাবাৰ লগতে অনুভৱ কৰোতা। ইয়াকে কোৱা হয় সঁচা সেৱাধাৰী। নিজৰ মাজত থাকিলেহে আনক অনুভৱ কৰাব পাৰিবা। যদি নিমিত্ত হোৱা আত্মাসকলৰ কিবা ৰসৰ অভাৱ থাকে তেন্তে আহিবলগীয়া আত্মাসকলৰ মাজতো সেই অভাৱ থাকি যাব। গতিকে সকলো ৰসৰ অনুভৱ কৰা আৰু কৰোৱা। অচ্ছা। ওঁম শান্তি।

**বৰদান :- জ্ঞানৰ সম্পত্তিৰ দ্বাৰা মুক্তি-জীৱন মুক্তিৰ অনুভৱ কৰোতা সৰ্ব বন্ধনমুক্ত হোৱা।**

জ্ঞান ৰত্নৰ সম্পত্তি সকলোতকৈ শ্ৰেষ্ঠ সম্পত্তি, এই সম্পত্তিৰ দ্বাৰা এই সময়তে মুক্তি-জীৱন মুক্তিৰ অনুভুতি কৰিব পাৰা। জ্ঞানী আত্মা তেওঁৰেই যি দুখ অশান্তিৰ সকলো কাৰণ সমাপ্ত কৰি, অনেক বন্ধনৰ ৰচি কাটি মুক্তি বা জীৱন মুক্তিৰ অনুভৱ কৰে। অনেক ব্যৰ্থ সংকল্পৰ পৰা, বিকল্পৰ পৰা আৰু বিকৰ্মৰ পৰা সদায় মুক্ত হৈ থকা – এয়াই মুক্ত আৰু জীৱনমুক্ত অৱস্থা।

**শ্লʼগান :- বিশ্ব পৰিৱৰ্তক সেইজনেই যি নিজৰ শক্তিশালী বৃত্তিৰে বায়ুমণ্ডল পৰিৱৰ্তন কৰি দিয়ে।**

*******